জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪০৬/২০২০

# বৰ্তমানে অসুস্থ হৈ থকা ডিব্ৰুগড়ৰ বিশিষ্ট ফটোগ্ৰাফাৰ হৰি বিনোদ বাৰ্মালৈ ১ লাখ টকাৰ আৰ্থিক সাহায্য ঘোষণা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৬ জুন ঃ** বৰ্তমানে অসুস্থ হৈ থকা ডিব্ৰুগড়ৰ বিশিষ্ট ফটোগ্ৰাফাৰ হৰি বিনোদ বাৰ্মাৰ সুচিকিৎসাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ১ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিছে। উল্লেখ্য যে ডব্লিউ নামেৰে সকলোৰে মাজত জনপ্ৰিয় হৰি বিনোদ বাৰ্মাই ডিব্ৰুগড় চহৰত ডব্লিউ ষ্টুডিঅ’ নামৰ এক ষ্টুডিঅ’ স্থাপন কৰি কলাসুলভ ফটোগ্ৰাফীৰ দিশত এক নতুন অধ্যায়ৰ পাতনি মেলিছিল। ৭০ ৰ দশকৰ পৰা সৌ সিদিনালৈকে এইগৰাকী ফটোগ্ৰাফাৰে ভাৰতবৰ্ষৰ বহু সংখ্যক ৰাজনীতিবিদ, বিশিষ্ট ব্যক্তি, ক্ৰীড়াবিদ তথা কিংবদন্তি পুৰুষৰ ফটোগ্ৰাফীৰে বিশেষ সুনাম অৰ্জন কৰি থৈছে। তদুপৰি, তেখেতে অসমীয়া চলচ্চিত্ৰ জগতৰ লগতো জড়িত থাকি বিশিষ্ট বৰঙনি আগবঢ়াই থৈছে। এইগৰাকী ব্যক্তিয়ে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো জড়িত থাকি বৰ্তমানলৈকে যথেষ্ট সেৱা আগবঢ়াই আছে। মুখ্যমন্ত্ৰীয়ে এই বিশিষ্ট ফটোগ্ৰাফাৰ গৰাকীৰ উন্নত চিকিৎসাৰ সহায়ক হোৱাকৈ ১ লাখ টকাৰ আৰ্থিক অনুদান প্ৰদানৰ কথা ঘোষণা কৰাৰ লগতে তেওঁৰ আশু-আৰোগ্যও কামনা কৰিছে।

**বঃভাঃ**

**০৬-০৬-২০২০**